# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-MAR-2026
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
-------------------------------

১। মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলৰ কালি বিধানসভা নিৰ্বাচনৰ বাবে ৰাজপত্ৰিত অধিসূচনা জাৰি। ২৩ মাৰ্চ মনোনয়ন দাখিলৰ অন্তিম দিন।

২। ৰাজপত্ৰিত অধিসূচনা জাৰি কৰাৰ পাছতে বিভিন্ন জিলা প্ৰশাসনৰ নীতি-নিৰ্দেশনা জাৰি।

৩। নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যত ১০ গৰাকী শীৰ্ষ আৰক্ষী আৰু প্ৰশাসনিক বিষয়াৰ বদলি।

৪। ৰাজ্যৰ বিভিন্ন ঠাইত ধুমুহাত বিস্তৰ ক্ষয়-ক্ষতি। **আৰু**

৫। কিদাম্বী শ্ৰীকান্তৰ অংশগ্ৰহণেৰে ফ্ৰান্সত আজিৰ পৰা অৰ্লিনছ মাষ্টাৰ্ছ ছুপাৰ থ্ৰী-হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ।

০০০০০০

অসমৰ মুখ্য নিৰ্বাচনী বিষয়া অনুৰাগ গোৱেলে কালি ৰাজ্যখনত বিধানসভা নিৰ্বাচনৰ বাবে ৰাজপত্ৰিত অধিসূচনা জাৰি হোৱা বুলি ঘোষণা কৰে। ইয়াৰ লগে লগে ৰাজ্যত মনোনয়নৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। ১২৬টা সমষ্টিৰ বাবে ২৩ মাৰ্চত মনোনয়ন দাখিলৰ সামৰণি পৰিব। সমষ্টিসমূহৰ ভিতৰত ৯টা অনুসূচীত জাতিৰ বাবে আৰু ১৯টা অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত কৰা হৈছে বুলি শ্ৰীগোৱেলে সংবাদমেলত প্ৰকাশ কৰে। তেওঁ কয়, যে ৰাজ্যৰ ৩১ হাজাৰ ৪৮৬টা ভোটকেন্দ্ৰত দুই কোটি ৫০ লাখ ২১ হাজাৰ ৪১৩ গৰাকী ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। এই ভোটগ্ৰহণত এশ শতাংশ ৱেবকাষ্টিঙৰ ব্যৱস্থা কৰা হ'ব। ভোটগ্ৰহণ নিয়াৰিকৈ চলাই নিয়াৰ বাবে কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনীৰ ২০০টা কোম্পানী ইতিমধ্যে ৰাজ্যত উপস্থিত হৈছে আৰু এই সপ্তাহতে কেইবাটাও কোম্পানী আহি পাব বুলি বিষয়াগৰাকীয়ে প্ৰকাশ কৰে। দলগাঁও সমষ্টিত সৰ্বাধিক সংখ্যক আৰু অনুসূচীত জনজাতিৰ বাবে সংৰক্ষিত আমৰি সমষ্টিত সৰ্বনিম্ন ভোটদাতা আছে বুলি তেওঁ প্ৰকাশ কৰে। শ্ৰীগোৱোলে নিৰ্বাচন আয়োগে নিৰ্ধাৰণ কৰা নথিপত্ৰসহ কেন্দ্ৰলৈ গৈ সকলোকে ভোটৰ অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনায়। মুখ্য নিৰ্বাচনী বিষয়াজনে নিৰ্বাচনৰ সময়ত নগদ ধন সৰবৰাহ সন্দৰ্ভত থকা নীতি-নিয়মৰ বিষয়ে কালিৰ সংবাদমেলত প্ৰকাশ কৰে।

**বাইট (গোৱেল)**

উল্লেখযোগ্য যে, অসমৰ ১২৬ জনীয়া বিধানসভাৰ কাৰ্যকাল ২০ মে'ত অন্ত পৰিব।

০০০০০০

বিধানসভা নিৰ্বাচনৰ দিন ঘোষণাৰ পাছতেই ৰাজ্যৰ কেইবাখনো জিলাৰ আয়ুক্ত তথা নিৰ্বাচনী বিষয়াই কালি সকলো বিভাগৰ মুৰববী তথা খণ্ড উন্নয়ন বিষয়াসকলৰ সৈতে বৈঠকত মিলিত হয়। মাজুলী জিলা সংহত আয়ুক্তৰ কাৰ্যালয়ত জিলা আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে আয়োজন কৰা সংবাদমেলখনত জিলা নিৰ্বাচনী বিষয়া, অতিৰিক্ত আৰক্ষী অধীক্ষকসহ জিলা প্ৰশাসনৰ কেইবাগৰাকীও বিষয়া উপস্থিত থাকে। জিলাখনত বিধানসভা নিৰ্বাচন সুকলমে অনুষ্ঠিত কৰাৰ বাবে জিলা প্ৰশাসনে লোৱা ব্যৱস্থা আৰু পদক্ষেপ সমূহৰ বিষয়ে আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠকে উল্লেখ কৰে।

ইপিনে, যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়তো আয়ুক্ত জয় শিৱানীয়ে এখন সংবাদ মেলৰ আয়োজন কৰে। সংবাদ মেলত জিলা আয়ুক্তগৰাকীয়ে আসন্ন বিধানসভা নিৰ্বাচনৰ বিভিন্ন দিশ আৰু নিৰ্বাচনী আচৰণ বিধি সম্বন্ধীয় কেইবাটাও বিষয় উল্লেখ কৰে। এই সংবাদমেলত জিলা নিৰ্বাচনী বিষয়াৰ লগতে কেইবাগৰাকীও শীৰ্ষ বিষয়া উপস্থিত

থাকে। চৰাইদেউ জিলাৰ আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষতো আয়ুক্ত ডাঃ নেহা যাদৱে জিলাখনত নিৰ্বাচন আচৰণ বিধি বলবৎ সম্বন্ধে সংবাদমেল সম্বোধন কৰে। জিলাখনৰ দুটা বিধানসভা সমষ্টিত নিৰ্বাচনী কাম-কাজ সুচাৰুৰূপে পৰিচালনা কৰিবলৈ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে বুলি তেওঁ উল্লেখ কৰে। জিলাখনৰ সোণাৰি বিধানসভা সমষ্টিত ২০৭টা ভোটগ্ৰহণ কেন্দ্ৰ আৰু মাহমৰা বিধানসভা সমষ্টিত ১৮৪টা কেন্দ্ৰত ভোটগ্ৰহণ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। জিলাখনত শান্তিপূৰ্ণ, স্বচ্ছ আৰু নিকা নিৰ্বাচন অনুষ্ঠিত কৰিবলৈ জিলা প্ৰশাসন সাজু বুলি আয়ুক্তগৰাকীয়ে উল্লেখ কৰে।

বিশ্বনাথ জিলাৰ তিনিটা বিধানসভা সমষ্টিত নিৰ্বাচনী প্ৰস্তুতি সন্দৰ্ভত কালি জিলাখনৰ আয়ুক্ত তথা জিলা নিৰ্বাচনী বিষয়া লক্ষীনন্দন চহৰীয়াই এখন সংবাদমেলত অৱগত কৰে। জিলাখনত পাঁচ লাখ ১৭ হাজাৰ ৪২৫ গৰাকী ভোটদাতাই ভোটৰ অধিকাৰ সাব্যস্ত কৰিব পাৰিব বুলি তেওঁ প্ৰকাশ কৰে। নিৰ্বাচন নিয়াৰিকৈ পৰিচালনা কৰাৰ বাবে জিলাখনত ১৭ গৰাকী মাণ্ডলিক বিষয়া আৰু ৬৮ গৰাকী খণ্ড বিষয়া নিয়োগ কৰা হৈছে বুলি তেওঁ জানিবলৈ দিয়ে।

ধেমাজি জিলাত কালি আয়ুক্ত ৰাহুল সুৰেশ জাবিৰে বৈঠকৰ পাছত সংবাদমেলযোগে জিলাখনত শান্তিপূৰ্ণ আৰু নিয়াৰিকৈ নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে সকলো প্ৰস্তুতি গ্ৰহণ কৰা হৈছে বুলি জানিবলৈ দিয়ে। সংবাদমেলত জ্যেষ্ঠ আৰক্ষী অধীক্ষক স্বপ্ননীল ডেকাই আইন শৃংখলা দিশত আৰক্ষী প্ৰশাসনে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে অৱগত কৰে।

গোলাঘাট জিলাতো জিলা আয়ুক্ত পূবালী গোঁহাই আৰু আৰক্ষী অধীক্ষক ৰাজেন সিঙে এখন সংবাদমেল সম্বোধন কৰে। শ্ৰীভূমি জিলাতো নিৰ্বাচনী আৰ্হি আচৰণবিধি বলৱৎ হোৱাৰ লগে লগে জিলা প্ৰশাসনে নিৰ্বাচনী ব্যয় নিয়ন্ত্ৰণ, প্ৰচাৰ সামগ্ৰী প্ৰকাশ আৰু ৰাজনৈতিক প'ষ্টাৰ আঁতৰোৱাৰ ক্ষেত্ৰত কঠোৰ নিৰ্দেশনা জাৰি কৰিছে।

বাক্সা জিলা প্ৰশাসনে জিলাখনত নিৰ্বাচন নিয়াৰিকৈ আৰু শান্তিপূৰ্ণভাৱে পৰিচালনা কৰাৰ বাবে প্ৰস্তুতি চলাইছে। কালি জিলা আয়ুক্ত ধীৰাজ সাউদে এখন সংবাদমেলত এই বিষয়ে সদৰি কৰে। জিলাখনৰ ৫০২টা ভোটগ্ৰহণ কেন্দ্ৰৰ ৭২টা স্পৰ্শকাতৰ হিচাপে চিনাক্ত কৰা হৈছে বুলি তেওঁ কয়। জিলাখনৰ দুটা বিধানসভা সমষ্টিত চাৰি লাখ দুহেজাৰ ৩২৮ গৰাকী ভোটদাতা আছে বুলিও তেওঁ জানিবলৈ দিয়ে।

**বাইট (ধীৰাজ সাউদ)**

০০০০০০

নিৰ্বাচন আয়োগে আসন্ন বিধানসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজ্যৰ মুখ্য সচিবক কেইবাগৰাকীও ভাৰতীয় প্ৰশাসনিক সেৱাৰ বিষয়া, জিলা নিৰ্বাচনী বিষয়া হিচাপে নিযুক্তি দিয়াৰ নিৰ্দেশ দিছে। ৰাজ্যখনৰ নিৰ্বাচনী প্ৰস্তুতি পৰ্যালোচনা কৰি আয়োগে এই নিৰ্দেশ দিয়ে। এই অনুসৰি ড° পি উদয় প্ৰবীণক কোকৰাঝাৰৰ জিলা নিৰ্বাচনী বিষয়া হিচাপে নিযুক্তিৰ নিৰ্দেশ দিয়া হৈছে। একেদৰে সৃষ্টি সিঙক মাজুলী, কিমনেই চাংছনক বাক্সাৰ, মধুসূদন নাথক চিৰাঙৰ আৰু জয় বিকাশক ওদালগুৰি জিলাৰ নিৰ্বাচনী বিষয়া হিচাপে নিযুক্তি দিয়া হৈছে। এই বিষয়াকেইগৰাকীক আজি দিনৰ ৩ বজাত জিলাকেইখনৰ সংশ্লিষ্ট দায়িত্ব গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। ইয়াৰ লগতে কেইবাখনো জিলাৰ শীৰ্ষ আৰক্ষী বিষয়াক সাল-সলনি কৰা হৈছে। মাজুলী জিলাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকৰূপে ছোমালিন শুভদৰ্শিনীক নিযুক্তি দিয়া হৈছে। আৰ শীতল কুমাৰক দক্ষিণ শালমাৰা, অন্চল চৌহানক শদিয়া, সুধাকৰ সিঙক চিৰাং আৰু মোহন লাল মীনাক ধেমাজিৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক নিযুক্তি দিয়া হৈছে। আজি দিনৰ ১১ বজাৰ পূৰ্বে জ্যেষ্ঠ আৰক্ষী অধীক্ষকসকলক নিজৰ দায়িত্ব গ্ৰহণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছে। কালি দিছপুৰত অনুষ্ঠিত সংবাদমেলত ৰাজ্যৰ মুখ্য নিৰ্বাচন বিষয়া অনুৰাগ গোৱেল আৰু নিৰ্বাচনৰ বাবে নিযুক্ত অসম আৰক্ষীৰ নডেল বিষয়া অখিলেশ সিঙে নিৰ্বাচনৰ সময়ছোৱাত আইন-শৃংখলা ৰক্ষাৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থা সম্পৰ্কে প্ৰকাশ কৰে। তেওঁলোকে কয়, যে এই নিৰ্বাচন পৰিচালনাৰ বাবে ১ লাখ ৫০ হাজাৰ ৫৪৬ গৰাকী বিষয়া নিয়োগ কৰা হ'ব। তদুপৰি ৭৪ হাজাৰ ৬০৫ গৰাকী নিৰাপত্তা বিষয়া নিয়োগ কৰা হ'ব। ভোটগ্ৰহণৰ বাবে ৩৯ হাজাৰ ৩৫৮ টা ই ভি এমৰ প্ৰয়োজন হ'ব যদিও নিৰ্বাচন বিভাগে ৪২ হাজাৰ ২৯৭ টা ই ভি এম সাজু কৰি ৰাখিছে।

০০০০০০

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে চি পি আই এম দলে কালি দুটা সমষ্টিৰ বাবে প্ৰাৰ্থী ঘোষণা কৰিছে। দলটোৱে এখন সংবাদমেলযোগে ভৱানীপুৰ সৰভোগ বিধানসভা সমষ্টিৰ বাবে মনোৰঞ্জন তালুকদাৰক আৰু গোৰেশ্বৰ সমষ্টিৰ বাবে বাপুৰাম বড়োক প্ৰাৰ্থিত্ব দিয়াৰ কথা প্ৰকাশ কৰে। উল্লেখযোগ্য যে বিধানসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছ, অসম জাতীয় পৰিষদ, চি পি আই এম, এ পি এইছ্ এল চি আৰু চি পি আই এম এল দলৰ মাজত আসন বুজাবুজি সম্পন্ন হৈছে।

ইয়াৰ পূৰ্বে আম আদমী পাৰ্টীয়ে ১৪টা সমষ্টিৰ বাবে তালিকা ঘোষণা কৰিছে। কংগ্ৰেছ দলেও দুখনকৈ প্ৰাৰ্থীৰ তালিকা ইতিমধ্যে প্ৰকাশ কৰিছে। এ আই ইউ ডি এফ দলে ৯ জন প্ৰাৰ্থীৰ প্ৰথমখন তালিকা প্ৰকাশ কৰিছে। লগতে ৰাইজৰ দলেও ১১ গৰাকী প্ৰাৰ্থীৰ প্ৰথমখন তালিকা ইতিমধ্যে প্ৰকাশ কৰিছে।

বিজেপিয়ে কাইলৈ বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ইতিমধ্যে প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰীগৰাকীয়ে জনোৱা অনুসৰি বিজেপিৰ প্ৰাৰ্থীৰ তালিকাত বহুকেইখন নতুন মুখ থাকিব। বৰাক উপত্যকাৰ ১০টা সমষ্টিত বিজেপিয়ে আৰু তিনিটা সমষ্টিত অগপই প্ৰতিদ্বন্দ্বিতা কৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে জনাইছে।

০০০০০০

ভাৰতৰ নিৰ্বাচন আয়োগে অসম বিধানসভা নিৰ্বাচনৰ বাবে অৱসৰপ্ৰাপ্ত ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া মনজিৎ সিঙক কালি বিশেষ পৰ্যবেক্ষক ৰূপে নিযুক্তি দিছে। বিষয়াগৰাকীয়ে অসমৰ নিৰ্বাচনৰ সমগ্ৰ দিশ পৰ্যবেক্ষণৰ লগতে সমষ্টিসমূহত নিৰ্বাচনী কাৰ্যকলাপৰ ওপৰত নজৰ ৰাখিব। ৰাজ্যিক নিৰ্বাচন আয়োগৰ সহযোগত তেওঁ বিধানসভা নিৰ্বাচনৰ পুংখানুপুংখভাৱে পৰ্যবেক্ষণ আৰু নিৰ্বাচনী বিধি উলংঘা বিষয়টো গুৰুত্ব সহকাৰে চোৱাচিতা কৰিব। এই সময়ছোৱাত কোনো লোকে নিৰ্বাচনী বিধি উলংঘাৰ চেষ্টা কৰিলে বিহিত ব্যৱস্থা গ্ৰহণ কৰিব।

০০০০০০

ৰাজ্যৰ বিভিন্ন ঠাইত কালি নিশা অহা ধুমুহাত বিস্তৰ ক্ষতি হয়। তামুলপুৰ জিলাত মাজনিশা অহা ধুমুহাজাকে কুমাৰীকাটা, খৈৰানী, আঙাৰকাটা, খৈৰাবাৰী, নাৰায়ণপুৰ, কাউলী, নাগ্ৰীজুলি, ঢেকিপোতাকে ধৰি বিস্তৃত অঞ্চলত বহু লোকৰ ঘৰ-দুৱাৰ ভাঙি ক্ষতি কৰে। ধুমুহাত তামোল, নাৰিকলকে ধৰি বিভিন্ন লাগনি গছ্ ভাঙি পৰাৰ ফলত সাধাৰণ ৰাইজ আৰ্থিক লোকচানৰ সন্মুখীন হৈছে। জিলাখনৰ গোৰেশ্বৰ সমষ্টিৰ বিভিন্ন ঠাইত ধুমুহাত গছ উভালি পৰাৰ ফলত যাতায়াত ব্যাহত হৈ পৰিছে। ধুমুহাত বিদ্যুতৰ খুঁটা উভালি পৰাৰ লগতে তাঁৰ ছিঙাত জিলাখনৰ বিভিন্ন ঠাইত বিদ্যুতৰ সংযোগ বিচ্ছিন্ন হৈ পৰিছে।

পশ্চিম কাৰ্বি আংলং জিলাতো পুৱতি নিশা অহা ধুমুহাজাকত ঘৰ-দুৱাৰ ভঙাৰ লগতে বৃহৎ আকাৰৰ গছ উভালি বিস্তৰ ক্ষতি হয়। ইতিমধ্যে জিলা দুৰ্যোগ ব্যৱস্থাপনা বিভাগে ক্ষয়-ক্ষতিৰ বুজ ল'বলৈ বিভিন্ন স্থানলৈ যাত্ৰা কৰিছে। বিয়লিৰ পৰলৈকে এই সন্দৰ্ভত বিতং তথ্য পোৱা যাব বুলি আমাৰ জিলাখনৰ সংবাদদাতাই জানিবলৈ দিছে।

কাছাৰ জিলাতো যোৱা দুদিনত ধুমুহা বতাহ আৰু বৰষুণৰ ফলত কৃত্ৰিম বানৰ সৃষ্টি হৈছে। শিলচৰ চহৰৰ অম্বিকাপট্টি, শ্বিলংপট্টি, বিলপাৰ, বিবেকানন্দ ৰোড, কলেজ ৰোডকে ধৰি কেইবাটাও অঞ্চলত বৰষুণৰ ফলত কৃত্ৰিম বানৰ সৃষ্টি হৈ যাতায়াত ব্যৱস্থা ব্যাহত হৈ পৰিছে।

০০০০০০

ফ্ৰান্সত আজিৰ পৰা অৰ্লিনছ মাষ্টাৰ্ছ ছুপাৰ থ্ৰী-হাণ্ড্ৰেড বেডমিণ্টন প্ৰতিযোগিতা আৰম্ভ হ'ব। প্ৰতিযোগিতাত জ্যেষ্ঠ খেলুৱৈ কিদাম্বী শ্ৰীকান্ত তথা উদীয়মান খেলুৱৈ আয়ুষ ছেট্টি আৰু তনভী শৰ্মাই ভাৰতৰ প্ৰত্যাশাৰ ভাৰ বহন কৰিব। অৱশ্যে বিগত সপ্তাহত অনুষ্ঠিত ছুইছ অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ সময়ত হোৱা কান্ধৰ আঘাতৰ বাবে এইচ এছ প্ৰণয়ে অৰ্লিনছ মাষ্টাৰ্ছৰ পৰা নিজৰ নাম প্ৰত্যাহাৰ কৰিছে। দেশৰ তাৰকা খেলুৱৈদ্বয় লক্ষ্য সেন আৰু পি ভি সিন্ধুৱেও এই প্ৰতিযোগিতাখনত অংশ লোৱাৰ পৰা বিৰত আছে। প্ৰতিযোগিতাৰ মিক্সড ডাবলছত টানিছা ক্ৰাষ্ট' আৰু ধ্ৰুৱ কপিলাই দেশলৈ সন্মান কঢ়িয়াই অনাৰ আপ্ৰাণ প্ৰয়াস চলাব।

০০০০০০

কড়ি খেলাৰ সাধুৰ বাবে গল্পকাৰ, ঔপন্যাসিক দেৱব্ৰত দাসক অসমীয়া ভাষাত ২০২৫ বৰ্ষৰ সাহিত্য অকাডেমী বঁটা আৰু বড়ো ভাষাত দৌংনৈ লামা মৌনছে গাথৌন উপন্যাসৰ বাবে সহায়সুলি ব্ৰহ্মক ২০২৫ বৰ্ষৰ সাহিত্য অকাডেমী বঁটা আগবঢ়োৱা হৈছে। অসমীয়া **প্ৰতিদিন, দি আছাম ট্ৰিবিউন**ৰ লগতে আন আন কাকতসমূহে এই বাতৰিক প্ৰথম পৃষ্ঠাত স্থান দিছে।

কংগ্ৰেছ নেতা প্ৰদ্যুৎ বৰদলৈয়ে গৌৰৱ গগৈৰ বিৰুদ্ধে অভিযোগ উত্থাপন কৰি দলীয় নেতৃত্বলৈ পত্ৰ প্ৰেৰণ কৰাৰ বাতৰি **অসমীয়া খবৰ** কাকতে **কংগ্ৰেছত অগ্নিযুগৰ ফিৰিঙতি প্ৰদ্যুৎ** শিৰোনামেৰে মুখ্য বাতৰিৰ স্থান দিছে। বাতৰিটো **দৈনিক জনমভূমি** কাকতেও গুৰুত্ব দিছে।

ৰাজ্যত নিৰ্বাচনী অধিসূচনা জাৰিৰ পিছদিনাই নিৰ্বাচন আয়োগে বিচিচিৰ চাৰিখন জিলাৰ জিলা আয়ুক্তক তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ বদলি কৰাৰ বাতৰি **দৈনিক অগ্ৰদূত** কাকতে প্ৰকাশ কৰিছে।

কাইলৈ বিজেপিৰ প্ৰাৰ্থী তালিকা প্ৰকাশ কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই মন্তব্য কৰাৰ বাতৰি **আমাৰ অসম** কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্ব দিছে।

ভাৰতৰ নিৰ্বাচন আয়োগে ৰাজ্যৰ নিৰ্বাচনৰ বাবে অৱসৰপ্ৰাপ্ত ভাৰতীয় প্ৰশাসনিক সেৱা বিষয়া মনজিৎ সিঙক বিশেষ পৰ্যবেক্ষক ৰূপে নিযুক্তি দিয়াৰ বাতৰি **দ্য টাইমছ অব ইণ্ডিয়া** কাকতৰ লগতে আন আন কাকতসমূহেও প্ৰকাশ কৰিছে।

আন্তঃৰাষ্ট্ৰীয় বজাৰত খাৰুৱা তেলৰ মুল্য প্ৰতি বেৰেলত ১০০ ডলাৰতকৈ অধিক হোৱাৰ বাবে সামগ্ৰী প্ৰস্তুতকাৰী ব্যৱসায়ী-কোম্পানী আদি বিপদৰ সনন্মুখীন হোৱাৰ এটা বাতৰি **দৈনিক অসম** কাকতে ইৰাণ যুদ্ধৰ ভয়ানক প্ৰভাৱ জি এছ টিত শিৰোনামেৰে প্ৰকাশ কৰিছে।

ৱান বেটেল আফটাৰ এনাডাৰ চলচ্চিত্ৰখনে ৯৮ সংখ্যক অস্কাৰ বঁটাত শ্ৰেষ্ঠ চলচ্চিত্ৰৰ সন্মান অৰ্জন কৰাৰ বাতৰি **দ্য ছেণ্টিনেল, নিয়মীয়া বাৰ্তা** কাকতৰ লগতে আন আন কাকতসমূহেও প্ৰথম পৃষ্ঠাত আলোকচিত্ৰসহ প্ৰকাশ কৰিছে।

এতিয়া আহক, পুনৰ বাতৰিৰ মাজলৈ উভতি যাওঁ...।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া আৰু বিজুলী-ঢেৰেকনিৰে দুই এজাক বৰষুণৰ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৮ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন ১৯ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অসম, অৰুণাচল আৰু মেঘালয়ৰ কিছু কিছু অঞ্চলত মজলীয়া বৰষুণৰ সম্ভাৱনা আছে। একেদৰে নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ত্ৰিপুৰাৰ কিছু ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

**সমাপ্ত**